# থাইলেণ্ডৰ প্ৰধানমন্ত্ৰীৰ ভাৰত ভ্ৰমণ (জুন ১৬–১৮,২০১৬)

ভাৰতৰ প্ৰধানমন্ত্ৰীৰ আমন্ত্ৰনক্ৰমে এক চৰকাৰী ভ্ৰমণত জুনৰ ১৬–১৮, ২০১৬ ভাৰতলৈ আহে মহামান্য জেনেৰেল প্ৰায়ুত চান–ও–চা । ২৬ মে, ২০১৪ চনত থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী হোৱাৰ পাছত জেনেৰেল প্ৰায়ুত চান–ও–চা ৰ এইয়া প্ৰথমটো ভাৰত ভ্ৰমণ ।প্ৰধানমন্ত্ৰী জেনেৰেল প্ৰায়ুতৰ ভ্ৰমণত সংগ দিব  তেওঁৰ পত্নী,এচোচিয়েট প্ৰফেচাৰ নাৰাপৰ্ণ চান–ও–চা আৰু এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দল, যাৰ মাজত আছে উপ প্ৰধানমন্ত্ৰী,মন্ত্ৰীসভাৰ কেবাগৰাকী মন্ত্ৰী,উচ্চস্তীয় কৰ্মকৰ্তা আৰু বাণিজ্য ক্ষেত্ৰৰ নেতা সকল ।

থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী গৰাকী ১৬ জুন ২০১৬ তাৰিখে নতুন দিল্লীত উপস্থিত হব ।ভ্ৰমণৰত সন্মানীয় ব্যক্তিসকল ১৭ জুন তাৰিখে ৰাতিপুৱা ৰাষ্ট্ৰপতি ভৱনত গাৰ্ড অৱ অনাৰ অনুবেক্ষন কৰিব আৰু মহাত্মা গান্ধিৰ সমাধিত মাল্যদান কৰিব ।বিদেশমন্ত্ৰী শ্ৰীমতী সুষমা স্বৰাজে থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী গৰাকীক সাক্ষাত কৰিব ।

থাই প্ৰধানমন্ত্ৰী গৰাকী ১৭ জুন তাৰিখে প্ৰধানমন্ত্ৰীক সাক্ষাত কৰিব আৰু প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰিব ।প্ৰধানমন্ত্ৰী ভ্ৰমণৰত প্ৰধানমন্ত্ৰী আৰু তেওঁৰ প্ৰতিনিধি সকলৰ সন্মানৰ্থে এক দুপৰীয়াৰ ভোজমেলৰ আয়োজন কৰা হব ।থাই প্ৰধানমন্ত্ৰীয়ে উপ ৰাষ্ট্ৰপতি হামিদ আনচাৰিৰ সৈতে সাক্ষাত কৰিব ।১৭ জুন তাৰিখে ফিকি/চিআইআই/অ্যাচোচেমৰ দ্বাৰা আয়োজিত এখনি বাণিজ্যিক ফ’ৰামত থাই প্ৰধানমন্ত্ৰী গৰাকীয়ে বক্তব্য ৰাখিব বুলি আশা কৰা হৈছে ।১৭ জুন তাৰিখে এই ভ্ৰমণ কালত প্ৰথম ভাৰত–থাইলেণ্ডৰ মাজত যুটিয়া বাণিজ্যিক ফ’ৰাম অনুষ্ঠিত হব আৰু তেওঁলোকে বাণিজ্যিক অনুষ্ঠানৰ বাবে প্ৰাস্তাব আগবঢ়াব ।নতুনদিল্লীৰ পাছত

থাই প্ৰধানমন্ত্ৰী গৰাকী ১৮ জুন তাৰিখে বুদ্ধগয়া পৰিদৰ্শন কৰিব আৰু তাৰ পাছত থাইলেণ্ড অভিমুখে প্ৰস্থান কৰিব ।

আছিয়ানৰ সৈতে ভাৰতৰ কৌশলগত অংশীদাৰিত্বৰ এক গুৰুত্বপূৰ্ণ আৰু অবিচ্ছেদ্য উপাদান হল থাইলেণ্ডৰ সৈতে ভাৰতৰ সুসম্পৰ্ক ।ভাৰতৰ ‘পূবলৈ চোৱা’নীতি থাইলেণ্ডৰ ‘পশ্চিমলৈ চোৱা’ নীতিৰ পৰিপূৰক,যি দুয়োদেশকে ঘনিষ্ঠ কৰিছে ।উচ্চপৰ্যায়ৰ মজবুত দ্বিপাক্ষীক আদানপ্ৰদান আৰু নিয়মিত দ্বিপাক্ষীক প্ৰতিষ্ঠানিক বৈঠক ভাৰত-থাইলেণ্ডৰ সম্পৰ্কৰ এক বৃহত প্ৰেৰনা লাভ আৰু নিৰাপত্তা ,প্ৰতিৰক্ষা,বানিজ্য,বিজ্ঞান আৰু প্ৰযুক্তি আৰু শিক্ষাৰ নিচিনা গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত সহযোগিতা বৃদ্ধিৰ মুল চাবিকাঠি । ভাৰত আৰু থাইল্ণ্ডৰ মাজত মজবুত অৰ্থনৈতিক সহযোগিতা আৰু দ্বিপাক্ষীক বাণিজ্যিক অগ্ৰগতি আৰু বিনিয়োগৰ বহুমুখীকৰনৰে প্ৰফাইল প্ৰতিফলিত হয় দুয়োদেশৰ মাজত অৰ্থনৈতিক আদানপ্ৰদানৰ উন্নয়ন আৰু পৰিপক্কতাৰ ক্ষেত্ৰত । ভাৰত-থাইলেণ্ডৰ মুল হৈছে ব্যাপক মানুহৰ সৈতে মানুহৰ যোগাযোগ । ২০১৫ চনত এক মিলিয়নতকৈও অধিক ভাৰতীয় পৰ্যটক থাইলেণ্ড ভ্ৰমণ কৰে আৰু একলাখৰ অধিক থাই পৰ্যটকে ভাৰত ভ্ৰমণ কৰে ।

নতুন দিল্লী

জুন ১৬,২০১৬